20 অক্টোবৰ 2006

প্ৰিয় প্ৰধানমন্ত্ৰী,

আপোনাৰ লগত কৰা ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ মিটিংত আপুনি এখন শিক্ষিত সমাজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সদায় জোৰ দিছে। যিটোৱে আমাক ভাষাৰ ওপৰত কেৱল মাত্ৰ শিক্ষাৰ মাধ্যম বা যোগাযোগৰ মাধ্যমেই নহয় বৰঞ্চ জীৱন ধাৰণৰ এক অত্যাৱশ্যকীয় দিশ জোৰ দিবলৈ বাধ্য কৰিছে। অবশেষত আমি আহি এই সিদ্ধান্তত উপনীত হৈছোহি যে, ইংৰাজী ভাষাৰ ওপৰত দখল সম্ভবত, উচ্চ শিক্ষাৰ বাবে, সংস্থাপন আৰু আন আন সামাজিক সুযোগ সন্ধানৰ বাবে খুবেই প্ৰয়োজনীয় আহিলা। উচ্চ শিক্ষাৰ পৃথিৱীখনত স্কুলীয়া জীৱনত ভাল ইংৰাজী শিক্ষা আহৰণ কৰিব নোৱাৰা সকল সদাই অক্ষম। সেয়েহে শিক্ষা ইংৰাজীতে হব লাগে। কিয়নো বিভিন্ন বিষয়ৰ, কিতাপ আৰু আলোচনীবিলাকো কেৱল মাত্ৰ ইংৰাজী ভাষাতহে বিস্তৃত ভাবে উপলব্ধ আৰু যি সকলে সচাকৈয়ে ইংৰাজী ভাষা ভালদৰে নাজানে,তেওঁলোকে উচ্চিশিক্ষাৰ সম্ভ্ৰান্ত প্ৰতিষ্ঠানত নিজৰ বাবে এডোখৰ ঠাই উলিয়াই লোৱাত বাৰুকৈয়ে অসুবিধাৰ সন্মুখীন হয়। এই অসুবিধাটোৱে যে কেৱল মাত্ৰ নিয়মীয়া জীৱিকাতহে প্ৰভাব পেলায় এনে নহয়, ই দৈহিক শ্ৰমহীন অভিজাত বৃত্তিটো প্ৰভাৱ পেলায়।

এটা সুন্দৰ জীৱনত প্ৰবেশ কৰাৰ বাবে আৰু ভাল সুযোগ লাভৰ বাবে যে ইংৰাজী ভাষা এটি গুৰুত্বপূৰণ ৰিনদ্ধাৰক, সেই সত্যটোৰ লগত আমি সকলো ভালকৈয়ে পৰিচিত। মধ্যবিত্ত বা নিম্ন মধ্যবিত্ত পৰিয়ালবোৰে তেওঁলোকৰ সত্ উপায়েৰে আৰজন কৰা অধিকাংশ ধনেই অতি খৰচী ইংৰাজী মাধ্যমৰ স্কুললৈ তেওঁলোকৰ ল’ৰা ছোৱালীক পঠিয়াই খৰছ কৰে। এনে শিশু শিক্ষাৰ সুবিধাসমুহ স্বাস্থ্য সুবিধাৰ দৰেই এটা পৰিয়ালত থকাটো উচিত। কিন্তু এক বৃহত্ সংখ্যক মানুহৰে এই উদ্দেশ্যৰ বাবে প্ৰয়োজনীয় অৰথ নাথাকে। ফলাফলটো হল বৰজনীয়। আমি বিশ্বাস কৰোঁ যে অৰন্তভুক্তিকৰণটো কেৱল মাত্ৰ সামাজিক ব্যৱস্থাৰ জৰিয়তেহে সম্ভব।

পৰিস্থিতিটোত এটা বিসংগতা দেখা যায়। এটা শতিকা বা তাটোকৈয়ো বেছি সময় ইংৰাজী আমাৰ শিক্ষা ব্যৱস্থাৰ এটা অংগ হৈ আছে। তথাপিও ইংৰাজী আমাৰ বহু সংখ্যক তৰুণৰ বাবে এতিয়াও কঠিনহৈ থকাত ই এটা অসামঞ্জস্যপূৰণ পৰিবেশৰ সৃষ্টি কৰিছে।এতিয়াও যদি দেশৰ প্ৰায় 15 ভাগ মানুহে এই ভাষাটোক দ্বিতীয় ভাষা হিচাবেই ব্যৱহাৰ কৰি থাকে এনে ক্ষেত্ৰত প্ৰথম ভাষা হোৱাৰটো প্ৰশ্নই নুঠে।

এই সত্যক একে ৰাতিৰ ভিতৰতে সলনি কৰাটো সম্ভব নহয়। কিন্তু ৰাষ্ট্ৰীয় জ্ঞান আয়োগে বিশ্বাস কৰে যে স্কুলৰ ভাষা কৰাৰ লগতে সাধাৰণ মানুহকো ইংৰাজী শিকোৱাৰ সময় এতিয়া আহি পৰিছে। আৰু আমিও সন্মত হৈছো যে, এই ক্ষেত্ৰত লব লগা কাৰ্য্যপন্থা এতিয়াৰে পৰাই আৰম্ভ কৰিব লাগিব, তেহে এখন সুন্দৰ সমাজ গঠন কৰা আৰু ভাৰতক এখন জ্ঞান সমাজ ৰূপে গঢ়ি তোলাটো সম্ভব হব। এই ব্যৱস্থাই মাত্ৰ বাৰ বছৰৰ ভিতৰতে স্কুলীয়া শিক্ষা সাং কৰা সকলক উচ্চ শিক্ষাৰ বাবে পৰ্য্যাপ্ত সুবিধা দিয়াৰ বাহিৰেও তিনিৰ পৰা পাঁচ বছৰৰ ভিতৰত সংস্থাপনৰো সুবিধা প্ৰদান কৰিব।

এই বিষয়টো অনানুষ্ঠানিক ভাবে কৰা আলোচনাৰ ক্ষেত্ৰত চৰকাৰী, বিদ্যায়তনিক,প্ৰচাৰ মাধ্যম আৰু কাৰখানা আদিৰ লগত জড়িত এক বৃহত্ লোক সমষ্টিক আমি সামৰি লৈছোঁ। তাৰোপৰি বিভিন্ন ৰাজ্যৰ মূখ্যমন্ত্ৰী সকলৰ লগতো আলোচনা কৰিছোঁ। সংসদ সদস্য সকলৰ লগতো আলোচনা কৰা হৈছে। ডাক্তৰি আৰু ওকালতিৰ লগত জড়িত ব্যক্তিৰ লগতো এই বিষয়ে আলোচনা কৰা হৈছে। সৰ্ব্বোপৰি সাধাৰণ সমাজৰ লগত জড়িত অনুষ্ঠান প্ৰতিষ্ঠান আদিৰ লগতো আলোচনা কৰিছোঁহক আৰু তেওঁলোকৰ মতামতো বিবেচনা কৰা হ’ব।

প্ৰথম পদক্ষেপ হিচাবে আমি এটি কৰম্মযোগী দল গঠন কৰিছো। এই দলটোৱে দাখিলকৰা প্ৰতিবেদন আমাৰ বিবেচনাৰ মূলধন বিচাবে দাখিল কৰা হৈছিল।

জাতীয় জ্ঞান আয়োগে মন্তব্য আগবঢ়াইছিল যে স্কুলৰ ক্লাচ ওৱানৰ ছাত্ৰৰ পৰা আৰম্ভ কৰি মাতৃভাষা বা আঞ্চলিক ভাষাৰ লগতে ইংৰাজী ভাষা স্কুলত প্ৰচলন কৰা উচিত।এই ধৰণৰ ভাষা শিক্ষাই ব্যাকৰণ আৰু নিয়মৰ ওপৰত জোৰ নিদিয়াকৈ উভয় ভাষাৰ ব্যৱহাৰে অৰথপূৰণ শিক্ষাৰ আভিজ্ঞতা প্ৰকাশ কৰিব।

আমি স্বীকৃতি দিছোঁ যে নখন প্ৰদেশে (তাৰ ভিতৰত উত্তৰ পূবৰ ছখন ৰাজ্য)আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ তিনিখনে ইতিমধ্যে ক্লাচ ওৱানৰ পৰা ওপৰলৈ ইংৰাজী ভাষা এটা বাধ্যতামূলক ভাষা হিচাবে প্ৰৱৰত্তন কৰিছে। ইয়াৰ একত্ৰীকৰণ হিচাবে বাৰখন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয় শাসিত ৰাজ্যই ইংৰাজী ভাষাক বাধ্যতামূলক ভাষা হিচাবে প্ৰাইমেৰী স্কুলৰ বিভিন্ন থাপত আৰু পঞ্চম শ্ৰেণীত প্ৰয়োগ কৰিছে। যি কি নহওঁক এই প্ৰয়োগৰ গতি মন্থৰ। ইংৰাজী ভাষা শিক্ষাৰ গতি সামান্য ভাবেও ভাল নহয়। এই বিষয়ৰ শিক্ষা পদ্ধতি, শিক্ষক বা শিক্ষাৰ সঁজুলি পৰ্য্যাপ্ত পৰিমাণৰ বা প্ৰকৃত নহয়। অমি এই অপৰিহাৰ্য্যতা সলনি কৰিব খুজিছোঁ আৰু ব্যৱহাৰ কৰিব বিচাৰিছোঁ দেশ ভিত্তিত ইংৰাজী ভাষা শিক্ষা। যিটো প্ৰথম মানৰ পৰাই শিকোৱা হব। এইটোক অতিৰিক্ত বিষয় হিচাবে বুজোৱা হোৱা নাই। স্কুলৰ পাঠ্যসূচীত অভিন্ন অংগ হিচাবে ইয়াক সামৰা হৈছে।

ভাষা শিকাটো পৃথক কৰিব নোৱাৰি আৰু শিক্ষা সূচীত ই পূৰণাঙ্গ হবই লাগিব। সেয়েহে স্কুলত তৃতীয় মানৰ পৰা আৰম্ভ কৰি ইংৰাজী বিষয় বিহীন ভাষা হিচাবে শিকোৱা উচিত। এনেধৰণৰ বিষয় স্কুলত শিকোৱাটো স্কুলৰ উন্নতমানৰ শিক্ষক আৰু

পৰ্য্যাপ্ত পৰিমাণৰ শিক্ষা সঁজুলিলৈ লক্ষ্য ৰাখি শিক্ষা অনুষ্ঠান সমূহলৈ এৰি দিব লাগে। এইটোৱে শিক্ষা অনুষ্ঠানত বিভিন্ন ভাষাৰ সৃষ্টি কৰিব তথা ইংৰাজী ভাষা শিক্ষাৰ স্কুল আৰু আঞ্চলিক ভাষা শিক্ষাৰ প্ৰতিষ্ঠান সমূহত প্ৰচলিত পৃথকতাবাদী দিশটো কমাই আনিব।

ভাষা শিক্ষা আৰু ভাষা শিক্ষণ এই দুই পদ্ধতিক সুচাৰুৰূপে পৰিবেশ আৰু পৰিস্থিতিৰ উপযোগী কৰি তুলিব লাগিব যাতে দৈনন্দিন জীৱন ও প্ৰয়োজনত অৰ্থপূৰ্ণ ব্যৱহাৰৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়। মুখস্থ শক্তিৰ সাহাৰ্য্যত পাঠ বিশেষক স্মৰণ কৰিব পৰাটোক পুৰস্কৃত কৰাতকৈ ইয়াৰ প্ৰকৃত মূল্যায়ণ দক্ষতাৰ ওপৰতহে হোৱা উচিত। এই দক্ষতাৰ মূল্যায়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এটা ৰাষ্ট্ৰীয় মূল্যায়ন প্ৰক্ৰিয়া( বা নেচনেল টেষ্টিং চাৰ্ভিচ ; এন.টি.এছ.) তৈয়াৰ কৰা উচিত যাৰ দ্বাৰা বাৰ্ষিক দক্ষতাৰ পৰিমাপ কৰি প্ৰশংসাপত্ৰ দিয়া হ'ব, ঠিক সেইদৰে ভাষা শিক্ষকৰ চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত সিদ্ধান্তলৈ অহাটো ব্যৱহাৰ কৰিব পৰা যাব।

ইংৰাজী ভাষা শিক্ষাৰ শিক্ষক সকলৰ নিয়োগৰ ক্ষেত্ৰত উচ্চমানৰ স্নাতক শিক্ষক আৰু প্ৰকৃত তথ্যৰ আদান প্ৰদান কৰিবৰ অৰ্থে নিয়ম অনুসৰি প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক ডিগ্ৰধাৰী সকলক নিযুক্তি দিয়া উচিত। এই সকলক নেচনেল টেষ্টিং চাৰ্ভিচৰ জৰিয়তে বাচনি কৰিব পাৰি আৰু কম সময়ৰ শিক্ষা প্ৰশিক্ষণ প্ৰদান কৰিব পৰা যায়। ইয়াৰ ওপৰি গোটেই দেশৰে প্ৰায় চাৰি নিযুত স্কুল শিক্ষকক সামৰি বন্ধকালীন প্ৰশিক্ষণ বা অন্য হ্ৰস্বকালীন প্ৰশিক্ষণ আঁচনিলৈ ইংৰাজী শিক্ষাৰ প্ৰসাৰ ঘটাব পাৰি। প্ৰায়বিলাক দৈনন্দিন প্ৰশিক্ষণ প্ৰকৃতৰূপে শিক্ষক সকলৰ প্ৰয়োজন অনুসৰি নহয়। সেয়েহে পাঠ্যসূচীত ভাষাক কেন্দ্ৰীয় বিষয় হিচাপে লৈ বৰ্ত্তমান প্ৰচলিত পূৰ্ব্ব কৰ্মৰত বা কৰ্মৰত অৱস্থাত যোগান ধৰা শিক্ষক প্ৰশিক্ষণ বা ভাষা প্ৰশিক্ষণ ব্যৱস্থাক পুংখানুপুংখ ভাবে পুনৰীক্ষণ কৰা উচিত।

দেশত প্ৰচলিত ইংৰাজী ভাষাৰ বৈচিত্ৰ বাতাবৰণৰ মুখামুখী হব পৰাকৈ ইংৰাজী পাঠ্যপুথি বিলাক যতে ততে পোৱা হব লাগে। যি কি নহওক এই ক্ষেত্ৰত নিৰ্দিষ্ট মানদণ্ডৰ নিশ্চয়তা থকা উচিত। প্ৰতিটো খাপতে পাঠ্যপুথি বিলাকৰ মাপক্ৰম জুখিব পৰাকৈ নিৰ্দিষ্ট তথ্য থাকিব লাগে আৰু প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ প্ৰত্যেক স্তৰলৈ ইংৰাজী পাঠ্যপুথি বিলাকৰ সবল শিক্ষা বিষয়ক উন্নতি সাধিবলৈ এটা পাৰগত দল গঠন কৰা উচিত। এইবোৰ মডেল বা আৰ্হি হিচাপে ৰাজ্য বিলাকে ব্যৱহাৰ কৰা উচিত আৰু সহজতেই ব্যৱহাৰ কৰিব পৰাকৈ ৱেবচাইট যোগে বিনামূলীয়াকৈ উপলব্ধ হোৱাৰ সুবিধা থাকিব লাগে। লাগে। তদুপৰি ৰাজ্যস্তৰৰ বৰডৰ অধিনত থকা বিদ্যালয় সমূহৰ বাবে ষ্টেট কাউন্সিল ফৰ এডুকেছনেল ৰিচাৰ্চ এণ্ড ট্ৰেইনিং (এছ.চি.ই.আৰ.টি.)এ পাঠ্যপুথি ৰচনাৰ ক্ষেত্ৰত মূখ্য সংগঠন হিচাবে কাম কৰিব। পাঠ্যপুথি ৰচনাৰ কাম বিকেন্দ্ৰীত কৰিব লাগিব। এই কাৰ্য্য সমূহ ফলৱতী কৰাবৰ বাবে সৰ্ব্বস্তৰৰ সহযোগিতাৰ প্ৰয়োজন বিশেষকৈ পাঠ্যপুথি ৰচনাৰ কামত সেই সকলো বেচৰকাৰী শিশু সমাজ গঠনত ব্ৰতী সংস্থাক জড়িত কৰাব লাগিব, যাৰ সেই বিশেষ অঞ্চল সম্বন্ধে ভাল অভিজ্ঞতা আছে।

যিহেতু ভাষা শিকাটো পোনপটীয়া পৰামৰ্শৰ মাজেদিয়েই নহয় বাতাবৰণৰ মাজেদিও সংঘটিত হয়, সেয়েহে শ্ৰেণী কোঠা যথেষ্ট সংখ্যক দৃশ্য-শ্ৰাব্য আৰু ছপা সঁজুলিৰে সজ্জিত হ'ব লাগে। ছাত্ৰ সকলৰ বয়স অনুপাতে বিভিন্ন বিষয়ৰ ওপৰত প্ৰতিটো শ্ৰেণী কোঠাতে সংগতি সম্পন্ন পুথিভঁড়াল স্থাপন কৰি কিতাপ আলোচনী বাতৰিকাকত দৃশ্য-শ্ৰাব্য সঁজুলি প্ৰাচীৰ পত্ৰিকা আদি গোটাই ৰাখিব লাগে। ভাষা শিক্ষাৰ সুবিধা বিলাক শ্ৰেণী কোঠাৰ বাহিৰতো সৰ্ব্বজনবোধ্য ভাষাৰে ৰেডিঅ' আৰু টিভিৰ জৰিয়তে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ইংৰাজী শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি। শ্ৰেণী কোঠাৰ বাহিৰেও ইংৰাজীৰ বহুল ব্যৱহাৰ তথা আলোচনাৰ বাবে জ্ঞান সংঘ গঠন কৰিব পাৰি। তেনেকৈয়ে ভাষাশিক্ষাৰ কাৰণে বহুল ভিত্তিত উপাদান পাব পাৰি। ইংৰাজী শিক্ষাৰ উন্নতিৰ অৰ্থে আৰ্থিক সাহাৰ্য্য কেন্দ্ৰীয় আঁচনি কৰি (শিক্ষক আৰু সঁজুলি)এই দৰকাৰী প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰি।

ৰাজ্যিক চৰকাৰবিলাকে সম সহযোগী মনোভাবেৰে এই ধৰণৰ পৰিকল্পনাৰ অংশীদাৰ হ'ব লাগিব। নেচনেল ডেভেলপমেন্ট কাউন্সিলৰ পৰবৰ্ত্তী সভাত প্ৰধানমন্ত্ৰীয়ে এই সমস্ত বিষয় মুখ্যমন্ত্ৰী সকলৰ লগত আলোচনা কৰাটো আমি বিচাৰিম, যাতে জাতীয় স্তৰত ইংৰাজী শিক্ষণৰ বাবে এটা যোজনাৰ কথা ভাবিব পৰা যায়-যিটো আমাৰ স্থানীয় ভাষাৰ লগে লগে প্ৰথম শ্ৰেণীৰ পৰাই শিক্ষাৰ ক্ষেত্ৰত স্থান পাব। ইয়াৰ পৰা অন্ততঃ এইটো নিশ্চত কৰিব পৰা যাব যে বাৰ বছৰৰ স্কুলীয়া শিক্ষাৰ অন্ততঃ প্ৰতিজন ছাত্ৰ ছাত্ৰীয়েই অন্ততঃ দুটা ভাষা জানিব।

ধন্যবাদ আৰু আন্তৰিক অভিনন্দনৰ সৈতে,



চেম পিট্ৰ'ডা

সঞ্চালক,

ৰাষ্ট্ৰীয় জ্ঞান আয়োগ

চি.চি.-শ্ৰী মন্টেক সিং আহুৱালিয়া উপাধ্যক্ষ , পৰিকল্পনা আয়োগ